
# ডায়েৰীৰ এখিলা পাত

বৰষা পাটোৱাৰী
*স্নাতক তৃতীয় ষান্মাসিক*

তাৰিখ- ১-১-২০১৩

২০১৩ চনৰ আজি প্ৰথমটো দিন। কিমান বছৰ আগতে .মাৰ কলমটোৱে ডায়েৰীৰ পাতত শব্দৰ মালা গুথিছিল মনত াই। বহু বছৰৰ মূৰত আজি নিজৰ লগত কথা পাতিবলৈ মন গৈছে। সয়েহে হাতত তুলি লৈছো কলম আৰু ।টি পুৰণি উকা ডায়েৰী। নতুন ছৰটোৰ প্ৰথম দিনটোতেই এৰি অহা দিনবোৰলৈ এবাৰ ভুমুকিয়াই চাবলৈ ন গৈছে। কিন্তু, ইমান দিনে মনৰ াজত জাপি-কুছি থৈ দিয়া কথাবোৰ াজি কাৰ আগত কওঁ/



তোৰ নামটোৱেই প্ৰথমে মনলৈ াহিছে। অ' মা, তোৰ আগতেই কম কলো কথা। মোৰ বুকুৰ গভীৰত সামাই থকা কথাবোৰ তোৰ াহিবেনো আৰু কাৰ আগত উবুৰিয়াই ব পাৰো। আগতেওতো তোকেই কৈছিলো সকলোবোৰ কথা। ়েই বুজিছিলি।

তোলৈ বহুত মনত পৰিছে মা। বহুদিন হ'ল তোক নেদেখা। কনে আছ তই? ভালে আছনে? আগৰ দৰেই আছনে তই? নে তাৰ ধুনীয়া দেহটোত বয়সে বৰকৈ আঁচোৰ পেলালে মা? তোৰ বৰ ল'বলৈ সুবিধাকে মিলাব পৰা নাই। জোৱায়েৰে সময়েই .পায়। সময় পালেই তোৰ খবৰ ল'বলৈ যাম মা। তোলৈ বৰকৈ নত পৰি আছে।

আজিকালি মোৰ তোলৈ বহুত মনত পৰি থাকে মা। আৰু বহুত কথাকে মনত পৰে। তোৰ হাতত ধৰি যে থুপুক-থাপাক খোজ দিবলৈ শিকিছিলো, সন্ধিয়া বিচনাত যে তই নিচুকনি গীত গাইছিলি- 'আমাৰে মইনা শুব এ, বাৰীতে বগৰী ৰুব এ', কেতিয়াবা কেতিয়াবা বিয়ানামো গাইছিলি- 'সন্ধিয়াৰ আকাশত বগলী উৰে, আইৰে ঘৰলৈ মনতে পৰে'... তোৰো তেতিয়া আইতালৈ মনত পৰিছিল নেকি মা? তেতিয়া যে একোকে বুজি পোৱা নাছিলো। তথাপি মনটো বেজাৰে আৱৰি ধৰিছিল, তোৰ মাতটো যে ইমান কৰুণ আছিল। তই মোক বহুত মৰম কৰিছিলি মা। মই স্কুলৰ পৰা অহাৰ সময়ত তই বাটত মোলৈ ৰৈ আছিলি। ঘৰৰ সকলোৱেই মোক মৰমৰ সাগৰত ডুবাই ৰাখিছিল। আইতাই আবেলি আবেলি ফুৰিবলৈ লৈ গৈছিল, খুৱাই মোৰ লগত খেলিছিল, গান শিকাইছিল। মই নাছি নাছি গাইছিলো- "গীতা ভণ্টিৰ পুতলাটিৰ চকু দুটা নাই, পুতলাই কেনেকৈনো চাব? শহা পহুৰ চকু লগাই এনেকৈনো চাব।" দেউতায়ো বহুত মৰম কৰিছিল। কিমান যে পুতলা আনি দিছিল, কিমান যে খেলনা আনি দিছিল দেউতাই মোলৈ। মা, এনেকুৱা লাগে এতিয়াই যেন দৌৰি গুছি যাম সেই সময়খিনিলৈ/ তয়ো ভাবনে সেই সময়খিনিৰ কথা?

মই মেট্ৰিকত ভাল ৰিজাল্ট কৰোতে সকলোৱে যে কিমান

আনন্দ পাইছিল। কিন্তু মই হোষ্টেললৈ গুছি আহোঁতে তই কান্দিছিলি মা। বহুত কান্দিছিলি তই। আইতায়ো কান্দিছিল। তহঁতৰ বহুত চিন্তা লাগিছিল ন'/ প্ৰথমবাৰ মই ঘৰৰ বাহিৰ ওলাইছিলো। তোক এৰি ৰাতি টোপনি নাহিছিল মোৰ। ৰাতিপুৱাবোৰতো চৌকাযে বিচাৰি হাঁহাকাৰ কৰিছিলো তোৰ উপস্থিতি। তথাপি মই দুখ কৰা নাছিলো মা। কোৰা নাছিলো ঘৰলৈ যাম বুলি। কাৰণ মোৰ পঢ়িবলৈ বহুত মন আছিল। বহুত মন আছিল ডাঙৰ মানুহ হ'বলৈ। মই কিতাপত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা পঢ়িছিলো। বুজিছিলো, নাৰী-পুৰুষ উভয়ে সকলোবোৰ কাম কৰিব পাৰে। মই যেতিয়া প্ৰথম বৰ্ষৰ পৰীক্ষাত শ্ৰেণীটোৰ ভিতৰত বেছি নম্বৰ পাইছিলো তেতিয়া প্ৰেৰণা বাইদেৱে মোক মাতি কৈছিল- "তৰা, তুমি শ্ৰেণীটোৰ ভিতৰতে বেছি নম্বৰ পাইছো। চেষ্টা কৰিলে তুমি আৰু ভাল ৰিজাল্ট কৰিব পাৰিবা। তোমাৰ ওপৰত আমাৰ বহুত আশা আছে। তুমি ছোৱালী বুলি পিছ পৰি নাথাকিবা। ল'ৰাবোৰৰ সমানে সমানে আগবাঢ়ি যাব লাগিব তুমি। কিবা সমস্যা হ'লে মোৰ আগত সকলো কথা খুলি ক'বা। মই সহায় কৰিম তোমাক"- প্ৰেৰণা বাইদেউৰ এই কথাখিনিয়ে মোৰ মনত উৎসাহ দুগুণে বঢ়াইছিল। মই মনতে প্ৰতিজ্ঞা কৰিছিলো ভালদৰে পঢ়া-শুনা কৰিম বুলি। এখন আধুনিক মনৰ আধুনিক সমাজ গঢ়োতা সকলৰ ভিতৰত ময়ো থাকিব বিচাৰিছিলো মা। ময়ো হ'ব খুজিছিলো এখন সভ্য সমাজৰ এগৰাকী সভ্য বসিন্দা। মই পুৰুষৰ ওচৰত মুৰ তুলি থিয় হ'বলৈ বিচাৰিছিলো।

কিন্তু, মই সুদৃঢ় বুলি ভবা সপোনবোৰ প্ৰকৃততে আছিল কাঁচৰ দৰেই থুনুকা। সেইবাবেই তহঁতৰ এটা সিদ্ধান্ততেই বৰ বেয়াকৈ ভাঙি গৈছিল মোৰ সপোনবোৰ। তহঁতে কিয় এবাৰলৈ মোৰ কথা বুজিবলৈ চেষ্টা নকৰিলি মা? মই জানো মা, তই মোক বুজিছিলি। কিন্তু দেউতাৰ সিদ্ধান্তৰ বিপৰীতে মোৰ কাষত থিয় দিয়াৰ সাহস তোৰ নাছিল। ইঞ্জিনীয়াৰ ল'ৰা পাই লগে লগে দেউতাই লৈ পেলাইছিল সিদ্ধান্ত। আইতাই কৈছিল- "হেৰ বোৱাৰী, তইনো আইক এনেকৈ লাই দিছ কিয়? ছোৱালী কুৰিতেই বুঢ়ী, বুজিছ? যিমান সোনকালে এঘৰলৈ উলিয়াই দিবি সিমানেই মংগল। আৰু এটা কথা মনত ৰাখিবি, ছোৱালীৰ বাবে এটা বয়সতে দৰা ওলাই। এই বয়সটো পাৰ হৈ গ'লে কোনো ল'ৰায়েই চকু নিদিয়া হ'ব তোৰ ছোৱালীলৈ। আৰু তোৰতো এইতকৈও কম বয়সতেই বিয়া হৈছিল। তই জানো সুখেৰে থকা নাই বোৱাৰী?" তই আৰু কাকো একো কোৱা নাছিলি মা। ময়ো একো কোৱা নাছিলো। ঘৰৰ সকলোৱে বহুত আনন্দ উৎসাহেৰে বিয়াৰ যো-জা কৰিছিল। বিয়াৰ দিনা মোৰ বুকুখন শোকে খুন্দা মাৰি ধৰিছিল। ধাৰাযাৰে চকুলো বোৱাইছিল তোৰ হিয়া ভঙা কান্দোনে, মোৰ সপোনটোৰ অপমৃত্যুৱে। নতুন জীৱনত খোজ দিবলৈ গৈ এক অজান ভয়ে কঁপাইছিল বুকু।

মোৰ উচ্চ শিক্ষাৰ সপোনটো ভাঙি যোৱাৰ পিছত মোৰ মনলৈ হতাশা আহিছিল। ভাঙি পৰিছিল মোৰ মনটো। কিন্তু, ঘৰখনৰ সকলোকে আনন্দিত দেখি মই মোৰ মনটোক সবল কৰি তুলিবলৈ চেষ্টা কৰিছিলো। হতাশাক জয় কৰিবলৈ মই আন এটা সপোন দেখাৰ প্ৰয়াস কৰিছিলো। নতুন জীৱনটোৰ বাবে এফালে মনত যদিও ভয় আছিল, তথাপি আনফালে বুকুত এই সপোনটোৱে পাহ মেলিবলৈ আৰম্ভ কৰিছিল। এজন মৰমীয়াল স্বামীৰ সতে এখন সুখৰ সংসাৰৰ সপোনে মোৰ বুকুত হেন্দোলনি তুলিছিল। মোৰ স্বামীৰ ঘৰখন শিক্ষিত। মই ভাবিছিলো, মই বিচৰাধৰণে মোৰ ঘৰখন ধুনীয়াকৈ সজাই-পৰাই ৰাখিম। শাহুৱাইক তোৰ দৰেই মৰম-শ্ৰদ্ধা কৰিম, ননদজনীক ভন্টীৰ দৰেই মৰম কৰিম। মোৰ স্বামীৰ বাবে মই যিদৰে সহধৰ্মিনী হ'ম তেনেদৰে তেৰোঁ মোৰ সকলো সুখ-দুখৰ সমভাগী হ'ব। কিন্তু কথাবোৰ মই ভবাৰ দৰে নহ'ল মা। মোৰ শাহুৱাই মৰমীয়াল, ননদজনীও বহুত ভাল। বিয়াৰ আগতে তহঁতে মোক যেনেদৰে শাহুআইক মা বুলি ভাবিবলৈ, ননদজনীক ভনী বুলি ভাবিবলৈ কৈছিলি মই তেনেদৰেই ভাবিবলৈ লৈছিলো। কিন্তু, শাহু আৰু বোৱাৰীৰ সম্পৰ্ক, বৌ আৰু ননদৰ সম্পৰ্ক চাগে মাক-জীয়েক, বায়েক-ভনীয়েকৰ সম্পৰ্কৰ দৰে সহজ-সৰল সম্পৰ্ক নহয়। শাহু-বোৱাৰী, বৌ-ননদৰ সম্পৰ্কৰ মাজত সদায় এখন অদৃশ্য দেৱাল থাকে। বোৱাৰী জীৱনৰ প্ৰথম খোজটোৱে মোক এই কথা শিকাইছিল। শাহুৱে মোক ঘৰখনৰ নীতি-নিয়ম শিকোৱাৰ লগতে "বোৱাৰী মানুহে অমুকটো কৰিব নাপায়, বোৱাৰী মানুহে এনেদৰে থাকিব লাগে, তেনেদৰে থাকিব নালাগে"- আদি এশ এটা উপদেশেৰে মোৰ মন মগজু ভৰাই তুলিছিল। খোজে প্ৰতি ভুল হৈছিল মোৰ। শাহুৱে কৈছিল- "তুমি

এনেকুৱা বাৰে বাৰে কিয় কৰা? মনত ৰাখিবা, তুমি এতিয়া ছোৱালী নহয়, তুমি এইখন ঘৰৰ বোৱাৰী। এইখন তোমাৰ মাৰাৰ ঘৰ নহয়, এতিয়া আৰু ছোৱালী কালৰ অভ্যাসবোৰ এৰিবা, বুজিছা বোৱাৰী? হঠাৎ মই ৰূপান্তৰিত হ'ব লগা হৈছিল এজনী সম্পূৰ্ণ নতুন মানুহলৈ। প্ৰতিটো খোজ নতুনকৈ দিব লগা হৈছিল। প্ৰতিটো খোজতে উজুটি খাইছিলো মা। তহঁতে কোৱাৰ দৰে মই মোৰ শাহুৱাইক যিদৰে মা বুলি ভাবি আগবাঢ়ি গৈছিলো তেনেদৰে তেওঁ মোক জীয়ৰি হিচাপে আদৰি নললে। মই তেওঁৰ বাবে জীয়ৰি নহয়, বোৱাৰী। তেওঁক মই সমীহ কৰিব লাগে, ভক্তি কৰিব লাগে, আনুগত্য প্ৰদৰ্শন কৰিব লাগে তেওঁৰ প্ৰতি। তোক কোৱাৰ দৰে তেওঁৰ মুখৰ ওপৰতে যিকোনো কথা কৈ দিব নোৱাৰো মই। তেওঁ মোক মৰম কৰে। কিন্তু সেই মৰম মাৰ দৰে নহয়, শাহুআইৰ দৰে। শাহু আৰু বোৱাৰীৰ মাজৰ সম্পৰ্ক মাক আৰু জীয়েকৰ মাজৰ সম্পৰ্কৰ দৰে নহয় মা। আৰু যদি কোনোবাৰ ক্ষেত্ৰত হয়, তেওঁলোকক মই পৰম সৌভাগ্যৱান বুলি ভাবিম।

মা, ঘৰত থাকোতে আইতা বা দেউতাই যেতিয়া কৈছিল- "ছোৱালী মানুহ হৈ এনেকুৱা কৰিব নাপায়" বুলি তেতিয়া তই সদায় মোৰ কাষত থিয় হৈছিলি। দেউতাৰ সন্মুখত মাত মতাৰ সাহস যদিও তোৰ নাছিল, তথাপি দেউতাৰ অজানিতেই তই মোক কৈছিলি- "যা, আগুৱাই যা তৰা। ছোৱালী বুলি পিছপৰি নাথাকিবি। সকলো ক্ষেত্ৰতে তই সাহসেৰে থিয় দিব পাৰিব লাগিব।" তোৰ সাহসতেই মই আগুৱাই গৈছিলো মা। নিজে ভয়াতুৰ হৈও তই মোক সহস দিছিলি। কিন্তু, ইয়াত মোক সাহস দিবলৈ কোনো নাই। তই যিদৰে মোৰ মনৰ সকলো খবৰ ৰাখিছিলি, তেনেদৰে মোৰ মনৰ খবৰ ৰাখিবলৈ ইয়াত কোনো নাই। বিয়াৰ পিছতেই মোৰ স্বামীয়ে কৈছিল- "তৰা, মই বিচাৰো, মোৰ পত্নীয়েই পৃথিৱীৰ শ্ৰেষ্ঠ পত্নী হওঁক। মই জানো তৰা, তুমি বহুত ভাল ছোৱালী। মাৰ প্ৰতিটো কথাই মানি চলিবা। ভন্টীক মৰম কৰিবা। পৰিয়ালটোৰ প্ৰতিজন সদস্যৰে খবৰ ৰাখিবা। তোমাক সকলোৱে বহুত ভাল পাব।" মা, পৃথিৱীৰ শ্ৰেষ্ঠ পত্নী হোৱাৰ হাবিয়াস মোৰ নাছিল। কিন্তু, মই বিচাৰিছিলো মোৰ সংসাৰখন সুখৰ হওঁক। সেইবাবে তেওঁ কোৱাৰ দৰেই পৰিয়ালৰ প্ৰতিজন সদস্যৰে খবৰ ৰাখিছিলো। প্ৰতিজন সদস্যই কি ভালপায়, কি বেয়া পায় সকলোবোৰ নখ দৰ্পণত আছিল। কিন্তু, মই কি ভালপাওঁ কি বেয়া পাওঁ সেই বিষয়ে এবাৰলৈও কোনেও নাভাবে মা। মোৰ স্বামীৰ হাতত মোৰ বাবে সময় অতি কম। ইঞ্জিনীয়াৰ স্বামীয়ে সকলো সময়তে ব্যস্ত থাকে নিজৰ কামক লৈ। আনৰ ভাল লগা বেয়া লগাৰ হিচাপ ৰাখি ৰাখি মই নিজৰ ভাল লগা বেয়া লগাৰ কথা পাহৰিয়ে গ'লো। নিজৰ অস্তিত্বই বিচাৰি নোপোৱা হ'লো মই মোৰ ঘৰখনত।

ল'ৰাটো আৰু ছোৱালীজনীও লাহে লাহে ডাঙৰ হৈ আহিছে। মায়ে সিহঁতক বহুত মৰম কৰে। সিহঁতে দেউতাকৰ মৰম বিচাৰে, দেউতাকক কাষত বিচাৰে। দেউতাকে সিহঁতে যি বিচাৰে তাকেই কিনি দিয়ে। কোনো বস্তুৰে অভাৱ অনুভৱ কৰিব দিয়া নাই সিহঁতক। কিন্তু, এটা বস্তুৰ বৰ অভাৱ। তেওঁৰ হাতত সিহঁতক দিবলৈ সময়ৰ বৰ অভাৱ মা। এই প্ৰতিযোগিতাৰ জগতখনত সৰুৰে পৰাই মাথো যন্ত্ৰৰ দৰে দৌৰিবলৈ শিকাইছে তেওঁ সিহঁতক। মোৰতো সিহতক জ্ঞান দিয়াৰ যোগ্যতাই নাই মা। বি. এ পাছ নকৰা ছোৱালী এজনীক সিহঁতে অৰ্ধশিক্ষিত বুলি কয়। মই যে বি. এ পাছ নহয়, সেইবাবে সিহঁতে দুখ কৰে মা।

মা, তোৰ অসুখৰ খবৰ পায়ো তোৰ খবৰ লবলৈ যাব নোৱাৰিলো। জোৱায়েৰে চিকিৎসাৰ বাবে সকলো খৰচ দিছিল। কিন্তু, টকাই জানো সকলো মা / অসুখৰ সময়ত তোৰ জানো মোক কাষত পাবৰ মন যোৱা নাছিল? তোক এবাৰ চাবলৈ, এবাৰ তোৰ বুকুৰ মাজত সোমাবলৈ মোৰ বহুত মন গৈছে মা।

আজি বহুত দিনৰ মূৰত কাৰোবাক মনৰ কথা কৈছো। বহুত দিনৰ মূৰত কথা পাতিছো নিজৰ সৈতে। এতিয়া মনটো বহুত মুকলি মুকলি লাগিছে মা। মই সিদ্ধান্ত লৈছো মোৰ ল'ৰা-ছোৱালী হালক মই নৈতিকতাৰ শিক্ষা দিম। মানৱতাবাদী কৰি গঢ়ি তুলিম মই সিহঁতক। মোৰ ছোৱালীজনীক মই কেতিয়াও তোৰ দৰে বা মোৰ দৰে হ'বলৈ নিদিওঁ। তাইক মই স্বাধীন ভাৱে গঢ়ি তুলিম। তাই যিমান পঢ়িব বিচাৰে মই পঢ়ুৱাম। মোৰ ল'ৰাটোৰ সমানকৈ তাইক মই গঢ়ি তুলিম মা। আজি নতুন বৰ্ষৰ প্ৰথম দিনটোত এয়া মোৰ দৃঢ় প্ৰতিজ্ঞা।♥

# সপোনৰ কাৰেং

মৃদুস্মিতা ভট্টাচাৰ্য্য
*স্নাতক পঞ্চম ষান্মাসিক*

নিশা দুই বজাত হোষ্টেলৰ বাৰান্দাত বহি আজি পৰাশৰে অনুভৱ কৰিব ধৰিছে তাৰ হৃদয়ৰ অব্যক্ত বেদনাবোৰ। কলীয়া ডাৱৰৰ বিষাদে আগুৰি ধৰিছে, তাৰ হৃদয়ে যেন মহাপ্ৰলয়ৰ আগজাননী দিছে। জীৱনৰ কুৰিটা বসন্ত পাৰ হৈ গ'ল। স্মৃতিৰ এলবামৰ পাতবোৰ লুটিয়াই দেখিলে, কাহানিও সি প্ৰেমত মূৰ ঘমোৱা নাই, লগতে সফলতা বিফলতাক লৈও সি কেতিয়াও ভবা নাই। কিন্তু আজি তাক পৰিস্থিতিয়ে বাধ্য কৰাইছে। সফলতা বিফলতাই জীৱন, তথাপি সিও মানুহহে।

মহাবিদ্যালয়ৰ পথাৰত সহপাঠী আবাসীসকলৰ ক্ৰিকেট খেলখন চলি আছিল, তেতিয়াই ঘটনাৰ সূত্ৰপাত ঘটে। ৰসায়ন বিজ্ঞান বিভাগৰ পৰা এজনী ছোৱালী ওলাই আহিছিল, যাৰ খোজ হংস গামিনীৰ দৰে, সি অবাক। টৌখোৱা চুলি টাৰিৰ আগলি বতাহে লুটিয়াই থৈ গ'ল কেনেও নপঢ়া মনৰ পৃষ্ঠাবোৰ। স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী সেয়া অদিতি, হয়তো তাৰ সপোনৰ...। সিদিনাৰ পৰাই তাৰ দুচকুত ভাহি থাকিল মাথোঁ এখনি মুখ। কিন্তু, যি গৰাকীক সি মনে প্ৰাণে বিচাৰিছে সি নাজানে তাই থাকে ক'ত, তাই কেনেকুৱা, তাইৰ পৰিয়াল...? পৰাশৰে ভাবিবলৈ বাধ্য হ'ল, হয়তো এয়াই প্ৰেম। সি মাথোঁ জানে তাক অদিতিক লাগে, নিতৌ, কলেজলৈ যোৱাৰ আগেয়ে ভাৱে তাইক মাতিব, তাইৰ সৈতে কথা পাতিব, কিন্তু তাইক সন্মুখত দেখা পালেই সি অপ্ৰস্তুত হৈ পৰে। দিন যায়, ৰাতিটোৱে লৈ আহে আন এটা সু-প্ৰভাত। পাৰ কৰিলে হৃদয়ৰ অব্যক্ত কথাৰ কেইবাটাও উজাগৰী নিশা...।

২৫ আগষ্ট, নৱাগত আদৰণি সভা। আকাশী নীলা চুৰিদাৰে অদিতিৰ সৌন্দৰ্য দুগুণ চৰাইছে। তাইক আজি মাতিবই লাগিব। এনেদৰে ভাবি থাকোঁতে কাৰোবাৰ মাতত তাৰ সম্বিৎ ঘূৰি আহিল। "Excuse me" দৰ্পন হোষ্টেলত আছেনে? তাৰ কিবা অসুখ নেকি? সি ঘূৰি দেখে যে সেয়া আন কোনো নহয় তাৰ সপোনৰ কুঁৱৰী অদিতি। সি দিনতে সপোন দেখা যেন পালে, যাৰ কাৰণে পাৰ কৰিলে উজাগৰী নিশা, সেই জনীয়ে আহি তাক মাতিছে। দৰ্পন পৰাশৰৰ বন্ধু আৰু দুয়ো একে হোষ্টেলত থাকে। অদিতিক পৰাশৰে ক'লে দৰ্পনৰ দুদিন ধৰি জ্বৰ কাৰণে কলেজত অহা নাই। তাইৰ লগত চিনাকী পৰ্ব শেষ কৰি পৰাশৰে তাইক কলেজৰ কেন্টিনত বহাৰ প্ৰস্তাৱ আগবঢ়ালে। তাই প্ৰথমে অগ্ৰাহ্য কৰিছিল যদিও পৰাশৰৰ অনুৰোধত সন্মতি জনাবলৈ বাধ্য হ'ল। পৰাশৰে দুকাপ কফি অৰ্ডাৰ দিলে, "পৰাশৰ, মোৰ কথা কিবা দৰ্পনৰ আগত কৈছিলা নেকি?" পৰাশৰে ক'লে "না... নাই মানে মই তেনেকৈ একো কোৱা নাই।" "চোৱা পৰাশৰ, আমি ছোৱালীবোৰে বহুতো প্ৰস্তাৱ পাওঁ, কিন্তু এই বিষয়ে মই ভাবিব লাগিব।" "নাই, তুমি মোক আজিয়ে উত্তৰ দিব নালাগে। তুমি আজি ভৱা আৰু কাইলৈ ৰাতিপুৱাই তুমি যদি মোক এবাৰ ফোন কৰা কলেজলৈ অহাৰ আগতে, তেন্তে মই জানিম মই বিচৰাৰ দৰে তুমিও মোক বিচৰা।" আৰু সঁচাকৈ পিছদিনা ৰাতিপুৱা, "পৰাশৰ তোমাৰ ফোন" বুলি চিঞৰাত সি সাৰ পালে। "হেল্ল গুড মৰ্ণিং, ৰাতি টোপনি আহিলনে?" "নাই, তোমাৰ?" "মোৰো"। "আজি কলেজলৈ আহিবানে?" "আহিম।" "তেন্তে থওঁ বাই।"

এনেদৰে দিন বাগৰি বছৰ গ'ল, দ্বিতীয় বৰ্ষ গৈ তৃতীয় বৰ্ষ আহিল। পৰাশৰ অদিতিৰ বহু ওচৰ চাপিল। কলেজত সিহঁতে বেছি কথা নাপাতিছিল, সেয়েহে কোনোবা এটা দেওবাৰৰ আবেলিত সিহঁতে পাৰ্কত বহাৰ মনস্থ কৰিলে। পিছদিনা দেওবাৰে সিহঁতে লুইতৰ পাৰত উপস্থিত হ'ল। কিছু সময় ওফন্দা লুইতৰ পিনে চাই দুয়ো মৌন হৈ পৰাত পৰাশৰে উপলব্ধি কৰিলে নীৰৱতাৰো ভাষা আছে। অদিতিয়ে পৰাশৰৰ বুকুত মুৰ গুজি ক'বলৈ ধৰিলে "পৰাশৰ তুমি হয়তো দুদিন পিছত অইন ঠাইলৈ যাবা, হয়তো মইয়ো যাম। আমাৰ বাৰু কি হ'ব?" জীৱনটো বৰ জটিল। পৰাশৰে অদিতিৰ চুলিত হাত বুলাই ক'বলৈ ধৰিলে- "অধৈৰ্য্য নহবাচোন অদিতি, সময়ত সকলো ঠিক হ'ব।"

ভৱিষ্যতৰ ৰঙীন সপোন বুকুত আঁকি দুয়ো বিদায় ল'লে।

অদিতি, পৰাশৰৰ পৰীক্ষা ভালে ভাল গ'ল। পৰাশৰে এতিয়া ব্যৱসায়িক প্ৰশাসনৰ ওপৰত উচ্চ শিক্ষাৰ বাবে বাংগালোৰলৈ আৰু অদিতিয়ে ৰসায়ন বিদ্যাত উচ্চ শিক্ষাৰ বাবে দিল্লীলৈ যাব। সেয়ে পৰাশৰে দহ দিন মান ঘৰতে কটাই আহিব বুলি ভাবিলে।

ফলাফল ঘোষিত হ'ল দুয়োয়ে সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। পৰাশৰবো যোৱা দিন ওচৰ চাপি আহিল। এনেতে এদিন পৰাশৰলৈ ফোন "পৰাশৰ তুমি মোক দিয়া আঙুঠিটোৰ কথা ঘৰত গম পাইছে। তুমি আহি এবাৰ মা-দেউতাহঁতক লগ ধৰি যোৱা।" "অদিতি মই কাইলৈ তোমালোকৰ ঘৰত গৈ মা-দেউতাক লগ ধৰি কথা পাতিম। সম্পৰ্ক ভঙাটো সহজ, কিন্তু সম্পৰ্ক এটা গঢ়া বহু টান। আমি সফল হ'ম অদিতি, কাৰণ আমাৰ প্ৰেম সঁচা।"

পিছদিনাখন পৰাশৰ অদিতিহঁতৰ ঘৰত উপস্থিত হ'ল। পৰাশৰে কৈ গ'ল- "চাওঁক খুড়া, অদিতি আৰু মোৰ প্ৰেমৰ দুবছৰ হ'ল। মই তাইক বিচাৰো, তাইয়ো মোক বিচাৰে। আপুনি মাত্ৰ সময় দিয়ক।" "ইতিমধ্যে আমি অদিতিৰ বিয়া ঠিক কৰিছো। তেওঁ বৰ্তমান অসম প্ৰশাসনিক সেৱাৰ এজন উচ্চ পদস্থ বিষয়া। তুমি আমাক বেয়া নাপাবা, কাৰণ প্ৰতিজন মাক-দেউতাকে সন্তানৰ মংগল কামনা কৰে আৰু আমিও তাৰ ব্যতিক্ৰম নহয়।"

সেইদিনা পৰাশৰে এক ৰিক্ত হৃদয় লৈ উভতিছিল, ৰুমলৈ। আজি সি ভাবিবলৈ বাধ্য হ'ল, সঁচাকৈয়ে যদি ঈশ্বৰ আছে তেন্তে তেওঁ কিয় ইমান নিষ্ঠুৰ। পৰাশৰে বুকুত এক বিষাদ লৈ বাংগালোৰলৈ যাবলৈ সাজু হ'ল আৰু অতীতৰ স্মৃতিবোৰ এক ভয়ানক সপোন বুলি পাহৰিবলৈ অব্যৰ্থ চেষ্টা কৰিলে।

অদিতিৰ দেউতাক দৰ্পনৰ দেউতাকৰ লগত একে লগে চাকৰি কৰে, সেই সূত্ৰে দুয়ো ঘৰৰ মাজত ভাল সম্পৰ্ক। সেয়ে দৰ্পনে জীৱনৰ বহু সুখ-দুখৰ সমভাগী পৰাশৰৰ এনে এক মানসিক অৱস্থাত অদিতিৰ দেউতাকৰ কাষ চাপিল। দৰ্পনে অদিতিৰ দেউতাকক ক'লে, "চাওঁক খুৰাদেউ, পৰাশৰ আৰু অদিতি দুয়ো বৰ্তমান পঢ়া-শুনা কৰি আছে, সিহঁতক পঢ়িবলৈ দিয়ক। আপুনি যি সিদ্ধান্ত লয় সিহঁতে মানিবলৈ বাধ্য। কিন্তু আপোনাৰ এটা সিদ্ধান্তই যাতে সিহঁতৰ জীৱনলৈ বিপদ নানে। সিহঁতে ইজনে আনজনক এৰি কেতিয়াও সুখী নহয়।"

এনেতে অদিতিৰ বাবে যিজন দৰা বাচিছিল তেওঁৰ ঘৰত বহু পৰিমাণৰ ক'লা টকা পালে আৰু কৰ্তব্যৰত অৱস্থাত ভেটি লৈ থাকোতে হাতে-লোটে ধৰা পৰিল।

দৰ্পনে আহি পৰাশৰক অদিতিৰ দেউতাকে মাতি পঠোৱা বুলি কোৱাত পৰাশৰ আচৰিত হ'ল। বিশ্বাস আৰু সংশয়ৰ এবুকু দোমোজা লৈ পৰাশৰ উপস্থিত হ'ল অদিতিৰ ঘৰত। পৰাশৰক অদিতিৰ দেউতাকে ক'লে যে "আমি তোমাক দুবছৰ সময় দিলো। দুবছৰৰ যদি এমাহো পাৰ হৈ যায় তাৰ বাবে আমি দায়ী নহওঁ।" পৰাশৰে অদিতিৰ দেউতাকৰ ওচৰত আশীৰ্বাদ বিচাৰিলে যাতে সি তাৰ উদ্দেশ্যত সফল হ'ব পাৰে। আজি, পৰাশৰ ইমান দিনৰ হতাশা আৰু দুচিন্তাৰ পৰা মুক্ত হ'ল। সি বহু সময় অদিতিৰ লগত কথা পাতিছিল। আহিব ওলাওতে যেতিয়া তাই পৰাশৰক গেটলৈ আগবঢ়াই দিব আহিছিল তেতিয়া সি অদিতিৰ চকুত পানী দেখিছিল। কিন্তু সেই চকুপানী সুখৰ নে দুখৰ / তাৰ পিছদিনাখন এবুকু ৰঙীন ভৱিষ্যতৰ কল্পনা বুকুত আঁকি পৰাশৰ বাংগালোৰলৈ গুচি গ'ল।

## মহৎ লোকৰ বাণী

*কিতাপ বাছনি কৰাৰ দৰে বন্ধু বাছনি কৰিবা। বাছনিত কম উঠিব পাৰে কিন্তু বাছনিত ভুল নকৰিবা। এটা ক্ষুদ্ৰ ভুলেই অঘটন ঘটাব পাৰে।*

—আৰৱীয় প্ৰবচন

# শব্দ

ডালিমী ছেত্ৰী
*স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

ঃ ৰীমা, অ'ই ৰীমা, ৰীমা উঠচোন।

মাজনিশা প্ৰায় এক মান বজাত ৰীমাৰ মাকে যিমান সম্ভৱ সিমান লাহেকৈ মাতি ৰীমাক টোপনিৰ পৰা জগাবলৈ চেষ্টা কৰিলে। কিন্তু, তেওঁ ৰীমাক জগোৱাত ব্যৰ্থ হ'ল। এইবাৰ তেওঁ ৰীমাৰ গাত হেঁচুকি দি আকৌ মাতিলে — "মাজনী উঠচোন উঠ।"

ঃ "কিনো হ'ল ? কিয় ইমানকৈ চিঞৰি আছা?"— টোপনিৰ জালতে তাই পেনপেনাই মাকক ক'লে।

ঃ পিছপিনে কিহৰ শব্দ হৈ আছে শুনছোন।

বাহিৰত হোৱা শব্দ শুনিহে ৰীমাৰ টোপনি ভাঙিল। শব্দ ক্ৰমান্বয়ে বেছি হ'বলৈ ধৰিলে। শব্দ শুনি মাক আৰু ৰীমাৰ ভয়ত অষ্ঠ-কণ্ঠ শুকাই গ'ল। সিহঁতৰ বিচনাৰ পৰা নামিবলৈ সাহস নোহোৱা হ'ল। মাকে ৰীমাৰ কাণত ফুচফুচাই ক'বলৈ ধৰিলে—

ঃ "আমাৰ ঘৰত কোনোবা চোৰ আহিছে নেকি? নে ভূতে ভয় খুৱাবলৈ শব্দ কৰিছে?"

ভয়তে ৰীমাৰ মুখৰ মাত নোহোৱা হ'ল। কঁপি কঁপি তাই মাকক সাৱটি ধৰিলে।

ঃ ভয় নকৰিবি। ৰ' দেউতাৰাক জগাও ৰ'। - মাকে ৰীমাক সাহস দিবলৈ চেষ্টা কৰিলে। কিন্তু ভিতৰি ভিতৰি তেওঁ নিজেও ভয়ত কঁপি উঠিল।

শব্দটো ক্ৰমে নোহোৱা হ'ল। ৰীমাৰ মাকে ভাবিলে- "বাহিৰত চাগে সঁচাকৈয়ে ভূত ওলাইছে। আমাক ভয় খুৱাই আছে। দেউতাকৰ নাম লওঁতেই চোন শব্দ বন্ধ হৈ গ'ল।" তেনেতে তেওঁ বাহিৰত আকৌ শব্দ শুনিবলৈ পালে। শব্দটো ক্ৰমাৎ তীব্ৰ হ'বলৈ ধৰিলে আৰু ওচৰ চাপি আহিবলৈ ধৰিলে। ৰীমাৰ মাকে ভয়ে ভয়ে ভিতৰৰ দৰ্জাৰে গৈ ৰীমাৰ দেউতাকৰ ৰূম পালেগৈ। আৰু তেওঁক জগাবলৈ ধৰিলে—

ঃ হেৰি শুনকচোন, বাহিৰত ইমানকৈ শব্দ হৈ আছে, আৰু আপুনি ফোচ্‌ফোচাই টোপনি গৈ আছে। কি মানুহহে আপুনি? বাহিৰত ভূত নে চোৰ-ডকাইট ওলাইছে চাওঁকগৈচোন।

ৰীমাৰ দেউতাকে বিৰক্তিৰে উঠি বহিল। হঠাৎ তেওঁ শব্দটো শুনিবলৈ পালে। শব্দটো শুনি তেওঁৰো ভয় লাগিল যদিও তেওঁ মনলৈ অলপ সাহস আনি ক'লে— "ব'লা আমি তিনিও বাহিৰলৈ গৈ চাওঁগৈ।"

দেউতাকে দৰ্জা খুলি দিলে আৰু তিনিও ভয়ে ভয়ে বাহিৰলৈ ওলাল। বাহিৰত ওলাই গৈ দেখে যে একো নাই। আনকি শব্দও নোহোৱা হ'ল। তিনিওঁ ইফালে সিফালে চালে, কিন্তু একো দেখা নাপালে।

"একো নাই দেখোন।" — ৰীমাৰ দেউতাকে ক'লে। একো নেদেখি সিহঁত আহি ঘৰৰ ভিতৰত সোমাল। সিহতে আহি ঘৰৰ ভিতৰ পাইছিলহে মাত্ৰ তেনেতে আকৌ শব্দ আৰম্ভ হ'ল। এনেকৈয়ে দুবাৰ, তিনিবাৰ যেতিয়া একোটা কাণ্ডই ঘটিল সিহঁতে ভূত ওলাইছে বুলি নিশ্চিত হ'ল। কিন্তু পিছপিনে গৈ ভালদৰে চোৱাৰ সাহস সিহঁতৰ নহ'ল। বহুত সময়ৰ পিছত তিনিওজনে মৰসাহ গোটাই পিছপিনে যোৱাটোকে থিৰাং কৰিলে। ৰীমাৰ দেউতাকে হাতত এখন মেচি দা ল'লে। মাক আৰু ৰীমাইও এডাল এডাল মোটা টাঙোন ল'লৈ আৰু হাতত সাৰে ভৰিত সাৰে পিছপিনে যাবলৈ ধৰিলে। তেতিয়া লাহে লাহে শব্দটো হৈ আছিল। তিনিও গৈ ক্ৰমে শব্দটোৰ ওচৰ চাপিল। দেউতাকে শব্দটো ভালদৰে শুনিবলৈ চেষ্টা কৰিলে আৰু ক'লে যে শব্দটো নাদৰ পাৰৰ পৰা আহিছে। সিহঁতে নাদৰ ওচৰ পাই দেখে যে নাদৰ পাৰত বাতি এটা ইফালৰ পৰা সিফাললৈ চুঁচৰি গৈ আছে। তাকে দেখি সিহঁতৰ ভয় দুগুনে বাঢ়িল। ৰীমা আৰু মাকে বাতিটোৰ ফালে থৰ হৈ চাই থাকিল। ৰীমাৰ দেউতাকে হাতত থকা দাখনেৰে বাতিটো ওলোটাই দিলে। বাতিটো ওলোটাই দিয়াৰ পিছত সিহঁতে যিটো দৃশ্য দেখিলে তাকে দেখি সিহঁতে হাঁহিব নে কান্দিব থিৰ কৰিব নোৱাৰা অৱস্থা হ'ল। সিহঁতে দেখিলে যে - মস্ত ভেঁকুলী এটা বাতিটোৰ তলৰ পৰা ওলাই জঁপিয়াই জঁপিয়াই গুচি গ'ল।♥

# শ্বেক্সপীয়েৰ ইন বকো (Shekecpeare in Boko)

পুলক তালুকদাৰ
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

"In disproportion me in every part......... That dogs bark at me as I halt by them and therefore.......

I am determined to prove a villian"

" মোৰ প্ৰতি অংগৰ স্ববিৰোধিতাৰ সংৰচনা। এই যে মোৰ পথৰ বাধা কুকুৰৰ চিৎকাৰ নিশ্চয়কৈ খলনায়ক হিচাপেই মোৰ প্ৰতিষ্ঠা।"

"Shadows tonight
Have Struck more terror to the soul of me
than ûthe substance of ten thousand soldiers
I shall despair, there is no creature loved me"

" এই ৰাতিৰ কুহেলিকাময় ছায়া
ভীতিগ্ৰস্ত আত্মা মোৰ
যি হেজাৰ অশ্বাৰোহীৰ ৰনহুংকাৰে সৃষ্টি কৰাতকৈও অধিক, হুমুনিয়াহ কাঢ়ি কওঁ ঃ পৃথিৱীৰ কোনো আত্মা নাই যি মোক ভাল পায়।"

... মই উচপ খাই উঠিলোঁ। একামোৰ মৰা 'চিকেন চ'প' মুখৰ পৰা চিটিকি পৰিল। এঃ, ভিতৰত মুৰ্গীৰ ঠেংখনহে আছিল নেকি? নহ'লেনো এনেদৰে জঁপিয়াই উঠেনে।

এইখিনিতে ঘটনাৰ উৎপত্তি ও বুৰঞ্জী উনুকিয়াই দিয়াটো ভাল হ'ব। সিদিনা আছিল উনত্ৰিশ ডিচেম্বৰ, ২০০.. ৰ কিবা এটা চন। আবেলি দিয়া বৰষুণ জাকৰ কাৰণে শীতৰ প্ৰকোপ বাঢ়ি গৈছিল। ৰাস্তাত কোনো নৰ-মনিষ নাই। সন্ধিয়া ছয় বজাতেই ঘৰ-দুৱাৰ মাৰি সকলো ভিতৰত। কিবা এক গোমোঠা নিমাওমাও পৰিবেশ।

মোৰ কিছুমান বদাভ্যাস আছে। অনেকবোৰৰ ভিতৰত এটা হ'ল যেতিয়া অন্যবোৰ ঘৰৰ ভিতৰত সোমায়, মোৰ বাহিৰলৈ ওলাবলৈ সোমাবলৈ তীব্ৰ হেঁপাহ জন্মে। ভাৰাঘৰৰ আমনি লগা দিনবোৰ হঠাৎ যেন ৰং লৈ নাচি উঠে।

সিদিনাৰ সেই হীম-শীতল সন্ধিয়া বিচনাৰ পৰা উঠি পুৰণি জিনচ্ পিন্ধি, 'ফটিছাৰ' মাৰ্কা প্ৰাগঐতিহাসিক চুৱেটাৰটো গাত সোমাই একেবাৰে বজাৰৰ মাজ পালোগৈ। বজাৰ প্ৰায় শূন্য। কাৰেন্ট নাই। অ'ত ত'ত দুটামান পোহৰৰ ধিমিক-ধামাক উৎস। মোক সকাহ দিবলৈ যেন ফুলৰিৰ দোকানখন আছিল। এই যে চকা লগোৱা ভ্ৰাম্যমান উদ্যোগ বিলাক। মালিক ৰামচৰণৰ বৰ দুখ। তাৰ এটা চপো বিক্ৰী নহ'ল।

"কাহা যে মৰি গেইল মানুচবিলাক"- ৰামচৰণে উদাস দৃষ্টিৰে মোৰ ফালে চাই ৰ'লে। সুবিধাবাদী হাঁহিটো মাৰি মই ক'লো- "ঠিক আছে। পাঁচটা চপ দে, টকা কিন্তু কম পাবি। কাইলৈ চপ বিলাক বেয়া হৈ যাব।"

ঠিক তেনে এটা চুক্তিত, চপ পাঁচটা বান্ধি লৈ, এটাৰ তাতেই সমাধি ঘটাও বুলি মাৰিছো, তৃপ্তিত চকু মুদখাই গৈছে। তেনেও.... "Shadow tonight" গৰ্গৰীয়া নে ফুচফুচীয়া, অদ্ভুত যাত এটাৰে ওচৰত কোনোবাই কৈ উঠিল। চাঁতকৰে মনত পৰিল এয়া চোন শ্বেক্সপীয়েৰৰ নাটকৰ ডায়লগ- Henry VI অথবা Richard III ।

মানুহজন একেবাৰে আহৌবলীয়াটো। অদ্ভুত পুৰনা কায়দাৰসাজ-পোচাক। মুখখন কাপোৰেৰে ঢকা। পাগলেও যদি ইমান ভালকৈ শ্বেক্সপীয়েৰ আওঁৰাব পাৰে, তেনে চাকৰী বাদ দিয়াহে কথা।

"আৰে... পাগলী কহীকা, একদম কথা বয়া হৈ যাব। একদম ফালি দেগা। কাহাছে আতা হে ৰে ভাই। চপ্ কিন্তু একদম নলাৰিবি।"— ভীতি আৰু ক্ৰোধ মিশ্ৰিত কণ্ঠেৰে চামৰণে চিঞৰী উঠিল।

"Prithee Sirrah, I am as hungry as they wretched soul"

"শান্ত হোৱা ল'ৰা, মই তোমাৰ হতভাগা আত্মাৰ দৰেই ভোকাতুৰ।"

"একদম চপাত কৰি দিম"- ৰামচৰণে কৰছ পাত টোৱাই ক'লে।

"Hold thy faithless arms thee withered soul oh hardi-

ness!

Upon such sacrifices, gods themselves through in cense"

" শান্ত হওঁক তোমাৰ বিশ্বাসহীন হাত,
হে ধ্বংসমুখী আত্মা
আস! কঠিন হৃদয়..."

এনে ত্যাগতেই দেৱগণে পুষ্প বৃষ্টি কৰে। উৱা / একেবাৰেচোন 'এলিজাবেথান' ইংলিছ / ৰামচৰণ নাচোৰবান্দা। পগলাক খানা দিয়াটো তাৰ নীতিবিৰুদ্ধ কথা। ই ফালে মোৰ অৱস্থা পুতৌজনক। মই ইংৰাজী সাহিত্য পঢ়াও। মোৰ গৌৰৱ আছে। মই টান ইংৰাজী কৈ ছাত্ৰক ভয় খুৱাও। মোৰ বাহাদুৰী আছে। কিন্তু এইহেন মফচলীয় চহৰত এক পগলাই মোক ভীতি প্ৰদৰ্শন কৰিব, এয়াটো হ'ব দিব নোৱাৰি / পলোৱা মাধৱ পিচক নাচায়। নিজকে ক'লো। ৰামচৰণক টকা কিটা দি কোৱাকুবিকৈ ঘৰমুৱা হ'লো। পৰিস্থিতি, বতৰ বৰ সুবিধাজনক নহয়।

কিছুদূৰ আহি দেখিলো, কেঁকুৰী এটাত সেই মানুহজন আকৌ ঠিয় হৈ আছে। মোক দেখি হাত দাঙিলে। 'নাই, নাই, বোৱাৰ কোনো প্ৰশ্নই নুঠে।' পিচে, বুঢ়াটোৰ কি খোজ? একেকোবে মোৰ ওচৰ পালেহি।

"Hark, Halt, my dear lord, the moon is though pure as icicle a fortlorn soul betitides something in the war. How then the tongreless cavern of the earth cries to me for justice."

"কৰ্ণপাত কৰক, অলপ ৰওঁক, হে মান্যবৰ। যদিও বিশুদ্ধ হিমৰ দৰেই শুভ্ৰ এই জোন, নিঃসংগ আত্মাই বতাহত যেন কিহবাৰ জাননী পায়? কিয় জানো বাক্‌হীন পৃথিৱীৰ গৰ্ভই ন্যায় বিচাৰি হাঁহাকাৰ কৰে?"

"What thou solicit
my dear lord ?" — (কি বিচাৰে হে মহাভাগ?) কেনেবাকে জানো নাটকীয়ভাবে মোৰ মুখৰ পৰা ওলাল। মানুহজনে কৈ উঠিল—

"A bode a shelter
The barren. tender of a poet's desire"

(এক লক্ষ্যস্থান, এটি আশ্ৰয়, এক অনুৰ্বৰ অনুৰোধ, এক কবিৰ প্ৰত্যাশা।)

মই মন্ত্ৰমুগ্ধ, বিশ্বাস কৰক, মই নিচা কৰা নাছিলো। পিছে নিচাগ্ৰস্ত ভাবেই ক'লো ঃ "Follow my footsteps"

(মোক অনুসৰণ কৰক)

কেতিয়া আহি ৰুম সোমালো নাজানো। মোৰ লগে লগে সেই অদ্ভুত মানুহজন। মোৰ চেলেকা-চুবুৰীয়া প্লাষ্টিকৰ চকীখন তেওঁ এবাৰ ডাঙি চালে, তাৰ পিছত বহি পৰিল।

মোৰ তেওঁলৈ চোৱাৰ সাহস হোৱা নাছিল। তথাপি এবাৰ আঁৰ চকুৰে দেখিলো, এওঁচোন সাইলাখ শ্বেক্সপীয়েৰ। মোৰ হাঁতত যিমানবোৰ তেওঁৰ ছবি আছে, পুৰা, একদম একে।

পুৰণি ইংৰাজী কোৱাৰ আপ্ৰাণ চেষ্টা কৰি ক'লো — "Why sir, why dost thou resemble to shakespeare? pray, tell me"

(কিয় মহাশয়?
কিয় জানো আপুনি সাইলাখ শ্বেক্সপীয়েৰ?)

মানুহজনে যিটো হাঁহি মাৰিলে, মোৰ অকনমাণি ঘৰটো কঁপি উঠিল।

"Why sir, I am his very self
Every piece of me."

(কিয়? মই তেৱেঁই
দেহৰ প্ৰতি অংগ তেৱাঁৰেই)

তাৰমানে, এই বুঢ়াজনে ক'ব খুজিছে চাৰি-পাঁচ বছৰ আগতে মৃত্যু হোৱা শ্বেক্সপীয়েৰ এৱেঁই। মই ক'লো ঃ "You delight in jest?"

(আপুনি উপহাস কৰি আনন্দ লভে?)

"No sir, It occur in jeste delight to me.
Thine eye a fit discipline to teach that fact"

(নহয় মহাশয়
এনেকুৱা লাগে উপহাসে মোক লৈ আনন্দ কৰে
আপোনাৰ দুচকুৰ পৰা সেই শিক্ষণ পোৱা যায়।)

ধৰি ল'লো, আপুনি শ্বেক্সপীয়েৰ, পিচে, এই বকো বজাৰত কি?

"A pilgrino soul, is but wind never dust holt, and always wilful and unwilling, thou inayst in me behold"

(যাত্ৰিকৰ আত্মা, বতাহৰ দৰেই
থমকি নৰয়, সদা ইচ্ছুক অথবা অনিচ্ছুক।
মোৰ ক্ষেত্ৰটো তেনে কথাই খাঁটে।)

মই যদি জ্ঞানী মানুহ নহয়, 'কমনচেন্স' মোৰ আছে। কাৰ লগত তৰ্ক কৰিব লাগে কাৰ লগত নালাগে মই জানো। অত্যন্ত কষ্টেৰে, অনেক মূৰ ঘমাই ক'লো ঃ

"Still doubts and more doubts
confine me in the gallow of mysoul"

(তথাপি সন্দেহ, ঘনীভূত সন্দেহৰ কাৰাগাৰত মোৰ আত্মা যে

বন্দী)

হঠাতে মানুহজন উঠিল। আৰু বিশুদ্ধ অসমীয়াত ক'বলৈ ল'লে — "শুনক, পৰলোকৰ পৰা বহুদিন আগতে ভাৰতভূমিলৈ আহিছিলো। এই প্ৰান্তীয় মূলুকত আহি গ'ম পালো ইয়াৰ ইউনিভাৰ্চিটি বিলাকত ইংৰাজী সাহিত্য পঢ়ায়। আৰু শ্বেক্সপীয়েৰ এটা— গুৰুত্বপূৰ্ণ অংগ। নান যাদু-মন্ত্ৰ কৰি এখন ইউনিভাৰ্চিটিত চিট ল'লো। স্ফূৰ্তি অকমানে হওঁক। পিছে জানেনে ?- অলপ ৰ'ল তেওঁ। আৰু এটা দীঘল হুমুনীয়াহ কাঢ়ি আকৌ আৰম্ভ কৰিলে—

"আৰু জানেনে ? শ্বেক্সপীয়েৰ পেপাৰতে মই ফেইল। মনৰ দুখতে অনাই-বনাই ঘূৰি এই চহৰ পালো। পিছে শান্তি নাই, শান্তি নাই.." কৈ কৈ ধম্‌কৈ দৰ্জা খুলি ওলাই গ'ল। মই আহি চালো যেন মানুহজন বতাহত মিলিহে গ'ল।

তেওঁ যোৱাত মই দুখ পালো। চবচে দুখ পালো। বিৰবল টোডৰমল, এম.এ.ৰ ইংৰাজীবজৰুৱা নোটবোৰ লৈ যোৱাৰ বা তাকে পঢ়াই ইমান দিন চলি আছিলো। মাজনিশা কুঁৱলীৰ আঁৰৰ পৰা চেঁপা অথচ স্পষ্ট মাত এটা ভাহি আহিল ঃ

"Tomorrow, tomorrow and tomorrow
reeps in this petty pace, from
day to day"
(কাইলৈ, কাইলৈ আৰু কাইলৈ
চুচৰি বাগৰি ধীৰ গতিত
দিন প্ৰতিদিন ব্যতিত হয়)♥

*বিঃদ্ৰঃ কোৱা বাহুল্য, গল্পটো সম্পূৰ্ণ কাল্পনিক। গল্পটোত ব্যৱহৃত কিছুমান সংলাপ শ্বেক্সপীয়েৰৰ নাটকৰ, কিছুমান তেওঁৰ অনুকৰণত তৈয়াৰ কৰা। দোষ-ত্ৰুটি মাৰ্জনীয়।*

## কৌতুক



*পত্নী ঃ কেইদিনমানৰ পৰা দেখিছোঁ আপুনি বিধে বিধে ঔষধ খাবলৈ ধৰিছে। তাৰ কাৰণটো কি ?*

***স্বামী*** *ঃ আমাৰ অফিচৰ কামৰ ধৰ্মাচীখনৰ মালিকে পইচা খাবলৈ নি ঘূৰাই দিয়া নাই। সেয়ে...*

***ভদ্ৰ মহিলা*** *ঃ তোমাক মই এটকা দিম। তোমাৰ দৰকাৰৰ কাৰণে নহয়, এইদৰে দি মই আনন্দ পাওঁ।*

***ভিক্ষাৰী*** *ঃ ধন্যবাদ। দহটকা দি আপুনি বেছি আনন্দ উপভোগ নকৰে কিয় বাইদেউ ?*

***উচ্চাকাংক্ষী পিতৃ*** *ঃ বাবা, তুমি খুব মনোযোগেৰে পঢ়া-শুনা কৰা। তোমাৰ নাম পৃথিৱীৰ চাৰিওটি কোণত বিয়পি পৰিব লাগিব।*

***পুত্ৰ*** *ঃ (কিছু সময় চিন্তা কৰি) কিন্তু দেউতা, পৃথিৱীখন যে ঘূৰণীয়া।*

*(মহাবিদ্যালয় সপ্তাহৰ 'থিতাতে লিখা এক মিনিটৰ গল্প' প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত গল্প)*

# মাতৃস্নেহ

পৰীস্মিতা দাস
*শিক্ষা বিভাগ, স্নাতক চতুৰ্থ ষান্মাসিক*

<u>স্নেপশ্বট-(১)</u>

ঘৰখনত অভাৱে বিৰাজ কৰিছে।
তিনিটা এমা-ডিমা সন্তানেৰে মাকজনী বিমোৰত পৰিছে।
তিনিদিন ধৰি ভাত অকণমান দিব পৰা নাই সিহঁতৰ সন্মুখত।
তাই চতুৰ্থবাৰৰ বাবে গৰ্ভৱতী।
গিৰিয়েক ঘোৰ মদাহী।
ন-মহীয়া গাৰেই সম্পদশালী মিচেছ বৰুৱাৰ ঘৰত গেবাৰি খাটি কাম কৰিলে তাই।
নহ'লে যে সন্তানকেইটা নাখাই মৰিব।

<u>স্নেপশ্বট-(২)</u>

মিচেছ বৰুৱাৰ আভিজাত্য গোটেই চহৰখনতে চিনাকি।
আজি তেওঁৰ কনমানি ছোৱালীজনীৰ জ্বৰ।
ছোৱালীজনীয়ে আব্দাৰ কৰিছে— "মা আজি মোৰ লগত থাকানা।"
মাকৰ উত্তৰ — "তোক চাবলৈ কাম কৰা বাইজনী আছে নহয়।
ক্লাৱত মোৰ আজি পাৰ্টী আছে।"

<u>স্নেপশ্বট (৩)</u>

মিচেছ বৰুৱাৰ ঘৰৰ চোতাল।
অলপ আগতে মেকুৰীজনীয়ে তিনিটা পোৱালী জন্ম দিলে।
কিন্তু জন্ম দিয়েই তাই ঢুকাই থাকিল।
এতিয়া পোৱালি তিনিটাক গাখীৰ খুৱাই আছে মিচেছ বৰুৱাৰ ঘৰৰেই কুকুৰজনীয়ে।♥

(মহাবিদ্যালয় সপ্তাহৰ 'থিতাতে লিখা এক মিনিটৰ গল্প' প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত গল্প)

# মাতৃস্নেহ

নয়নমণি নাথ
*পদাৰ্থ বিজ্ঞান বিভাগ, স্নাতক চতুৰ্থ যান্মাসিক*

আগৰ বিপদ এটাৰ পৰা মিঃ শৰ্মাই উদ্ধাৰ পোৱা যেন অনুভৱ কৰিলে। কিন্তু ইমানদিনে দেউতাকৰ পৰা আৰম্ভ কৰি তেওঁ আৰু তেওঁৰ ভায়েক মাতুলে যি সৎ আৰু ন্যায়ৰ যযজৰী সাজিছিল, সেয়া যেন ছিগি গ'ল। বিচনাত পৰি মিঃ শৰ্মাই আকৌ ভাবি পাৰ পোৱা নাই। মাথে মাথে মাতুলে কোৱা কথাখিনিয়ে...

মিঃ শৰ্মা। মিঃ বিজয় শৰ্মা। এজন চৰকাৰী বিষয়া। সৎ আৰু ন্যায়ৰ বাবে বিজয়ক অফিচৰ সকলো মানুহে ভাল পায়। সি নিজে গৰ্ব অনুভৱ কৰে যে তাৰ নাম বিজয় দেউতাকে এইকাৰণেই ৰাখিছিল যেন সি কেতিয়াও পৰাজিত নহয়। সি দেউতাকৰ কথা ৰাখি অহিংসা আৰু ন্যায়ৰ পথেৰে আগবাঢ়ি গৈছিল। কিন্তু....। অঘটনটো ঘটিল মাকক লৈ। মাকৰ কিডনি এটা নষ্ট হোৱাৰ বাবে চিকিৎসা কৰিবলৈ প্ৰচুৰ টকাৰ প্ৰয়োজন হ'ল। কিন্তু ইমান কম দৰমহাৰ চাকৰিৰে সি সেইখিনি যোগাৰ কৰিব পৰা নাছিল। সেয়েহে সেইখন চহৰৰে মাফিয়া মিঃ বৰকটকীয়ে দিয়া উপহাৰটো গ্ৰহণ কৰিলে আৰু তেওঁৰ বিলত চহী কৰি দিলে। এগৰাকী মাতৃক হত্যা কৰি আন এগৰাকী মাতৃক জীয়াই তুলিলে। এয়া কাৰ দোষ? মিঃ শৰ্মাই ভাবিব নোৱাৰিলে। কিন্তু মাতুলে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। নতুনকৈ সেনাবাহিনীত চাকৰি পোৱা মাতুলে জানে দেশমাতৃৰ কথা। লাচিতৰ উদ্দীপ্ত বাণীৰ কথা। তেওঁ ককায়েকক খণ্ডত কৈছিল— 'তুমি এটা কাপুৰুষ। তুমি দেশদ্ৰোহী।' কিন্তু মিঃ শৰ্মাই কোনো কথা ভাবিব নোৱাৰিলে। কাৰ মাতৃস্নেহ বেছি, তেওঁৰ ভায়েক মাতুলৰ, যিয়ে দেশৰ কাৰণে নিজৰ মাককো মৃত্যুলৈ ঠেলি দিব পাৰে, নে তেওঁ, যি দেশৰ অহিত এটা কাম কৰি নিজৰ মাতৃক বচালে। আচলতে মাতৃস্নেহ কি। দেশমাতৃক নে নিজৰ জন্মদাত্ৰী মাতৃক?

বিষাদ, বেদনা আৰু উত্তৰ নোহোৱা প্ৰশ্নৰ সাগৰত তেওঁ ডুব গ'ল...। ♡

(মহাবিদ্যালয় সপ্তাহৰ 'থিতাতে লিখা এক মিনিটৰ গল্প' প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত গল্প)

# মাতৃস্নেহ

**সুভম ভদ্ৰ**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, কলা শাখা*

এখন অতি পিছপৰা গাওঁৰ ছোৱালী নিজৰা।
তাইৰ ঘৰখনৰ সদস্য বুলিবলৈ তাই আৰু তাইৰ সৰু ভায়েক।
আগতে তাইৰ ঘৰখন অতি ৰমৰমীয়া আছিল।
তাইৰ মাক-দেউতাক আৰু তাইৰ আইতাকে অৰ্থাৎ তাইৰ দেউতাকৰ মাক।
তাৰ মনত থিমিক-থামাকৈকৈ জ্বলি থকা চাকিটোৰ দৰে তাৰ মাকৰ কথা কিছু মনত আছে।
মাকে তাক বহুত কষ্ট সহ্য কৰি ডাঙৰ-দীঘল কৰিছিল।
তাইৰ দেউতাক আছিল সেই গাওঁখনত থকা প্ৰাথমিক বিদ্যালয়খনৰ চকীদাৰ।
সেই হিচাপে সিহঁতৰ ঘৰখন কোনোমতে পেটে-ভাতে চলিছিল।
এবাৰ তাই ভায়েকক লৈ গাওঁখনৰ পুৰণি মন্দিৰটোলৈ গৈছিল।
ঘৰলৈ আহি তাই যিটো খবৰ শুনিলে সেই খবৰে তাইৰ সমস্ত জীৱনলৈ অমানিশা নমাই আনিলে।
তাইৰ মুৰত যেন বিনামেঘে বজ্ৰপাতহে পৰিল।
গাওঁৰে সৰলা আয়ে তাইক কান্দি কান্দি ক'বলৈ ধৰিলে যে তাইৰ মাক-দেউতাক আৰু আইতাকক ওচৰৰ জংঘলৰ পৰা অহা কেইটামান পগলা হাতীৰ জাকে মাৰি পেলাইছে।
সিদিনাৰ পৰা তাই তাইৰ ভয়েকৰ বাবে মাক আৰু দেউতাকৰ ভূমিকা গ্ৰহণ কৰিলে।
তাই অ'ত-ত'ত কাপোৰ ধুই, বাচন মাজি, ঘৰ চাফা কৰি যিখিনি টকা পাইছিল
সেইখিনিৰে তাই ভায়েকৰ পেট ভৰাব লাগিছিল।
অশেষ কষ্ট, যাতনা, দুৰ্যোগ-ব্যাধি আদি সহ্য কৰি নিজৰাই ভায়েকক ডাঙৰ-দীঘল কৰিলে।
তাইৰ সেই কষ্টৰ বলতে আজি তাইৰ ভায়েক এজন ডাঙৰ মানুহ।
সেই সময়ৰ পৰাই তাই অনুভৱ কৰিছে যে সন্তানৰ জীৱনত মাতৃৰ স্নেহ কিমান প্ৰয়োজন।
এজনী মাতৃয়ে সন্তানৰ জীৱনত এজনী তত্ত্বাৱধায়িকা, দাৰ্শনিক, শিক্ষক আদিকে ধৰি বিভিন্ন ভাও ধৰিব লগা হয়।
সেয়েহে এজনী মাতৃৰ অগাধ স্নেহ আমি কেতিয়াও পাহৰিব নালাগে। ♥

# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেত্ৰী বিউটী ৰয়ৰ স'তে এখন্তেক



আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেত্ৰী বিউটী ৰয়

আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেত্ৰী বিউটী ৰয়ৰ স'তে এখন্তেক—

* আপোনাৰ অভিনয় জীৱনৰ আৰম্ভণি কেনেদৰে হৈছিল ?

ঃ পঞ্চম শ্ৰেণীত থাকোতে মই কৌতুক অভিনয় কৰিছিলো। তেতিয়াৰ পৰাই মোৰ অভিনয় জীৱনৰ আৰম্ভণি বুলি ক'ব পাৰি।

* কাৰ কাৰ ওচৰত আপুনি অভিনয়ৰ শিক্ষা গ্ৰহণ কৰিছে?

ঃ মনোজ দাস চাৰ, অনিন্দ্য কাশ্যপ, জিন্তুমণি কলিতা, প্ৰাঞ্জল শইকীয়া।

* আজাৰা ডনবস্কোত হোৱা আন্তঃমহাবিদ্যালয় একাংকিকা নাট প্ৰতিযোগিতাত আপুনি আমাৰ মহাবিদ্যালয়লৈ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান কঢ়িয়াই আনিছিল। এইক্ষেত্ৰৰ আপোনাৰ অনুভৱ?

ঃ শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা পাই মই বহুত আনন্দিত হৈছিলো। ই মোক ভৱিষ্যতে আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাইছে।

* আপুনি বিভিন্ন টি.ভি. চিৰিয়েলত অভিনয় কৰিছে। কি কি চিৰিয়েলত অভিনয় কৰিছে জনাব নেকি ?

ঃ Rang চেনেলত প্ৰচাৰিত হোৱা সপোনৰ অচুতীয়া ৰং, মহাৰথী কৰ্ণৰ কথাৰে, পাহু পৰিচালকৰ পাহু খবি, Prag চেনেলৰ 'হৃদয়ৰ গান', 'দিঠকৰ বাহিৰত', DY365 চেনেলত 'মাথো বিচাৰে তোমাকে', 'জিলমিল ৰূপালী কিৰণ', DD North east চেনেলত 'গোলমাল'। লগতে বৰগীতৰ ওপৰত প্ৰস্তুত কৰা বৰগোৱাৰী গীত, VCD 'জীৱনৰ ৰং', 'জিমেলিৰ গাম খাৰু'।

* আপুনি থিয়েটাৰত চুক্তিবদ্ধ হৈছে বুলি শুনিছো। এই বিষয়ে কওঁকচোন।

ঃ থিয়েটাৰত অভিনয় কৰাৰ হেঁপাহ মোৰ বহুদিনীয়া। ২০১৩-১৪ বৰ্ষৰ বাবে মই বৃন্দাবন থিয়েটাৰৰ লগত চুক্তিবদ্ধ হৈছো।

* অভিনয় বা জীৱনৰ বিভিন্ন ক্ষেত্ৰত আপোনাক প্ৰেৰণা কোনে দিয়ে?

ঃ মা-দেউতা।

* এগৰাকী সফল অভিনেতা বা অভিনেত্ৰী হ'বলৈ কিহৰ প্ৰয়োজন বুলি আপুনি ভাবে?

ঃ সেই বিষয়ে মই এতিয়া বিশেষ ক'ব নোৱাৰিম, যিহেতু মই এতিয়াও সম্পূৰ্ণ সফল হ'ব পৰা নাই। মই ভাবো সফল অভিনেতা বা অভিনেত্ৰী হ'বলৈ ধৈৰ্য্য, আত্মবিশ্বাস আৰু একাগ্ৰতাৰ বিশেষ প্ৰয়োজন।

* আপোনাৰ ভৱিষ্যত জীৱনৰ পৰিকল্পনা?

ঃ এগৰাকী প্ৰতিষ্ঠিত অভিনেত্ৰী হোৱা।

* প্ৰেম সম্পৰ্কত আপোনাৰ মতামত?

ঃ প্ৰেম সত্য আৰু সুন্দৰ। এক স্বৰ্গীয় অনুভূতি।

* বৰ্তমান নৱ-প্ৰজন্মক উশৃংখল বুলি সকলোৱে দোষাৰোপ কৰে। নৱ-প্ৰজন্ম সঁচাকৈয়ে উশৃংখল বুলি আপুনি ভাবেনে?

ঃ সকলোৱে জানে যে পাশ্চাত্য সংস্কৃতিৰ আগমনে আমাৰ যুৱ-সমাজক প্ৰভাৱিত কৰিছে। কিন্তু সকলো যুৱক-যুৱতীকে উশৃংখল বুলি মই ক'ব নিবিচাৰো। যদিও কিছু সংখ্যকে উশৃংখলতাৰ সোঁত উটি-ভাহি ফুৰিছে, তাৰ মাজতো বহুতো ভাল যুৱক-যুৱতী আছে।

* জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে আপোনাৰ অনুভৱ কি?

ঃ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই গৌৰৱান্বিত।

* 'জাৱহৰজ্যোতি'ৰ সম্পৰ্কত আপোনাৰ মতামত?

ঃ 'জৱাহৰজ্যোতি'য়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ দিশটো বিকশিত কৰাত সহায় কৰিছে। 'জৱাহৰজ্যোতি'লৈ মোৰ শুভকামনা থাকিল।♡

*সোঁৱৰণীয়ে ৰিঙয়াই...........*

# হেঁপাহৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়

শ্যামলিমা দাস
*প্ৰাক্তন ছাত্ৰী, বিজ্ঞান শাখা*

জ্ঞানৰ প্ৰদীপ তুমি বিলোৱা জ্যোতি চৌদিশে
সমস্ত আকুলতাৰে তুমি দিয়া প্ৰেম সকলোকে।
তুমি সৌন্দৰ্যৰ আঁকৰ,
হে চিৰ জ্যোতিষ্মান
জৱাহৰলাল নেহৰু মহাবিদ্যালয়।
তোমাৰ সুশোভিত সেউজ বেলিচাৰ্যত নিয়ৰৰ বাহৰ,
তোমাৰ বিশাল কোলাত যে লাগি ৰ'ল
শত সহস্ৰৰ যৌৱন।
তোমাৰ নামেৰে গৌৰৱান্বিত হওঁ আমি,
তোমাৰ নামেৰে উজ্জীৱিত হওঁ আমি,
তুমি ধন্য হে চিৰ বহ্নিমান,
তুমি ধন্য হে চিৰ মূৰ্তমান।
তোমাৰ পদূলিৰ নাহৰ বকুলে উল্লাসিত কৰে,
স্বাগতম জনায় যেন এজাক মৃদু মলয়াই
ধন্য হ'ল মোৰ এই অস্তিত্ব
পাই তোমাৰ পৰশ
তোমাৰ ধূলি যে মোৰ তিলক।
তুমি চিৰ তৰুণ,
এজাক হাঁহিৰ নিজৰা,
এজাক আশাৰ ৰ'দালি,
একুঁকি মৰমৰ সাক্ষী।

বিঃদ্রঃ- ধৰ্মদাৰ কেন্টিনৰ চুকৰ মেজখনে
বাট চায় ছাগে আমালৈ,
ধৰ্মদাৰ কেন্টিনৰ চিংৰাটোৰে যে
বহন কৰে কত মৰমৰ দাবী,
লেব্ৰটৰীৰ পেজক্ৰিপ্ত কেইটাৰ
পূৰ্ণ কৰি মৰম,
তহঁতবোৰলৈ বুলি দি পঠিয়ালো...♥

*(বিজ্ঞান শাখা আৰু কলা শাখাৰ বন্ধু-বান্ধৱীসকলৰ হাতত এই কবিতাটি উৎসৰ্গা কৰিলো)*

# হেৰোৱাৰ বেদনা

জগদীশ কলিতা
*প্ৰাক্তন ছাত্ৰ*

তুমিয়েতো এদিন আহি জ্বলাইছিলা
মোৰ জীৱনৰ শলিতা
হাতত হাত থৈ
দেখুৱাইছিলা বহুতো ৰঙীন কল্পনা।

তুমিয়েতো শিকাইছিলা
সাগৰ চাবলৈ
সাগৰৰ গভীৰতা
আকাশৰ বিশালতা জুখিবলৈ।

পাহৰিলাই চাগে ন
তাহানিৰ সেই তুমিজনী হৈ থকা নাই।

তুমিয়েতো শিকাইছিলা
হালধীয়াৰ মাজতো সেউজীয়া বিচাৰিবলৈ
সেউজীয়া পথাৰত দলিছা পাৰিবলৈ।
হঠাৎ
আজি হেৰাই গ'ল ন'
সেই আকাংক্ষা
সেই স্বপ্নালীৰ ৰঙীণ কিৰণ....।♥

# এজাক ধুমুহা

হৰকুমাৰ কলিতা
প্ৰাক্তন ছাত্ৰ

এজাক অভিমানী ধুমুহা ভাল পাইছিলো,
অভিমান ভাবেৰে উভতি গ'ল
মোৰ হৃদয়খন উকা কৰি।

এজাক অভিমানী ধুমুহা লগ পাইছিলো।
অভিমান ভাবেৰে উভতি গ'ল,
বৰদৈচিলা জাকৰ দৰে।

বৰ অভিমান ধমুহা জাকৰ,
অভিমান ভৰা এক সন্ধিয়া
লগ পাইছিলো ধুমুহা জাকক।

অভিমানী কণ্ঠৰে কথা পাতিছিল,
ধুমুহাজাকে মোৰ সৈতে বহুসময়।

হঠাৎ এক কাল ধুমুহা আহিছিল
ক্ৰমাৎ আঁতৰি গ'ল।
সেই ধুমুহাজাক।

আহঃ কি যন্ত্ৰনাদায়ক।
বৰ অভিমানী আছিল ধুমুহাজাক
বৰ অভিমানী ধুমুহা
সেই জাক।♥



# হালধীয়া পাতৰ আঁৰ লৈ জুমি চাওঁ সেই দিনবোৰলৈ..........

অনুপম কলিতা

*প্ৰাক্তন ছাত্ৰ*

২০০৫ চনৰ জুন মাহৰ শেষৰ পিনে কোনোবা এটা ৰাতিপুৱা। সময় তেতিয়া ঘড়ীত ন' বাজি গৈছিল চাগে। ৯.০৫ বজাৰ পৰা ক্লাচ। বহু উৎসাহেৰে গৈছিলো সেইদিনা কলেজলৈ বুলি। কাৰণ সেইদিনা আছিল আমাৰ কলেজৰ প্ৰথমটো দিন। পিন্ধনত আছিল মহাবিদ্যালয়ৰ ইউনিৰ্ফম- কলা পেন্ট, চাৰ্ট। এইবছৰ অৱশ্যে নবীনসকলৰ বাবে পোছাকযোৰৰ পৰিৱৰ্তন হ'ল। চাৰ্টটো দীঘলকৈ পিন্ধিছিলো আৰু পিঠিত এখন Side Bag ।

দিনবোৰ তেনেকৈ গৈ আছিল। ক্লাচ, নতুন বন্ধু চিনাকী ইত্যাদি ইত্যাদি। লাহে লাহে নৱাগত আদৰণি সভাৰ দিনটোলৈ বুলি দিন চমু হৈ আহিছিল। যাক আমিবোৰে বৰ উৎসাহেৰে বাট চাই আছিলো সেই দিনটোলৈ বুলি। ৰেগিং- যিটো শব্দ শুনিলেই আজিকালি সকলোৰে বুকু কঁপি উঠে। আচলতে আমিবোৰেই ইয়াক বেলেগধৰণে লৈ গৈছো। 'ৰেগিং' শব্দটোৰ অৰ্থ কি মই নাজানো কিন্তু ইয়াক মাৰাত্মক ব্যাধি বুলি কোৱা হয় আজিৰ দিনত। কিন্তু এটা সময় আছিল আমাৰ দিনবোৰতো ন-পুৰণিৰ মাজত চিনাকীপৰ্ব হোৱাটো কিছু ব্যতিক্ৰমধৰণে। যাক কিছুমানে ৰেগিং বুলিও কৈছিল। কিন্তু সঁচাকৈয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমোদজনকে আছিল। কোনেও বেয়া পোৱা নাছিল, ন-পুৰণি সকলোৱে তাক সুন্দৰকৈ আঁকোৱালি লৈছিল। মইও তেনেকুৱা ব্যতিক্ৰম চিনাকীপৰ্বটোৰ চিকাৰ হৈছিলো। কোনোবাই নাম, ঠিকনা সোধাৰ লগতে নাচিব দিছিল, কোনোবা ছোৱালী দল এটাই দলে বলে ধৰি সিহঁতৰ মাজত আটাইতকৈ ধুনীয়া ছোৱালী বাছিব দিছিল। এইবোৰে কিন্তু আমাৰ মনত অকণো মনোকষ্ট দিয়া নাছিল। বৰঞ্চ, ভালহে লাগিছিল।

তেনেকৈ দিনবোৰ গ'ল, নৱাগত আদৰণি সভা আহিল, গ'ল। নৱাগত আদৰণি সভাৰ চমু ঘটনা এটা— সেইদিনা বৰষুণ পৰি আছিল। গতিকে ঘৰৰ পৰা আহিব পৰা নাছিলো, অৱশেষত ছাতিটো লৈ কলেজলৈ বুলি আহিছিলো লগৰ বন্ধুবোৰৰ লগত। অনুষ্ঠান চলি আছিল। আমি ঘূৰিছিলো, ফুৰিছিলো, অনুষ্ঠান চাইছিলো। মুঠতে মনত অপাৰ আনন্দ। কিন্তু হঠাৎ মোৰ প্ৰিয় বান্ধৱী এগৰাকীয়ে কৈ পেলাইছিল মোৰ হাতত থকা ছাতিটোৰ পিনে চাই- 'ল'ৰা মানুহে ছাতি ল'লে ভাল নালাগে অ'।" বচ্ সেইদিনাৰ পৰা লগাহ'লে বৰষুণত তিতি আহিম কলেজলৈ কিন্তু ছাতি নলওঁ। কি যে পাগলামী দিন আছিল সেইবোৰ। মনত কৃষ্ণচূড়াৰ ফুল ফুলে এতিয়াও ভাবিলে।

কলেজলৈ আহিছিলো, গৈছিলো। তেনেকৈ গৈ আছিল দিনবোৰ। ইতিমধ্যে দীঘলকৈ পিন্ধা চোলাটো চুটিকৈ বেলেগ এটা ষ্টাইল ল'লে, চেপেটাকৈ আঁচুৰা চুলিখিনি বেলেগ এটা ভাঁজ ল'লে। এটা সঁচা কথা